Total number of printed pages–7

**63 (FY)SEM–3/MIN/ASMMIN2014**

**2024**

# ASSAMESE

Paper : ASMMIN2014

***(Functional Grammar of Assamese)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×১০=১০

(ক) 'অষ্টাধ্যায়ী' নামৰ ব্যাকৰণখনৰ প্ৰণেতা

*(i)* ড° বাণীকান্ত কাকতি

*(ii)* পাণিনি

*(iii)* ড° গোলক চন্দ্ৰ গোস্বামী

*(iv)* ড° উপেন্দ্ৰ নাথ গোস্বামী

*Contd.*

(খ) সত্যনাথ বৰাৰ ব্যাকৰণখনৰ নাম

(i) অসমীয়া ভাষাৰ ব্যাকৰণ

(ii) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ

(iii) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(iv) বহল ব্যাকৰণ

(গ) ভাল, বেয়া, ধুনীয়া আদি

(i) বিশেষ্য পদ

(ii) সৰ্বনাম পদ

(iii) বিশেষণ পদ

(iv) ক্রিয়া পদ

(ঘ) ধৰম, কৰম, মৰম আদি

(i) তদ্ভৱ শব্দ

(ii) অৰ্ধতৎসম শব্দ

(iii) তৎসম শব্দ

(iv) আৰবী শব্দ

(ঙ) '–বিলাক', '–বোৰ', '–সকল' আদি

*(i)* নিৰ্দিষ্টতাবাচক প্ৰত্যয়

*(ii)* বহুবচনাত্মক প্ৰত্যয়

*(iii)* তদ্ধিত প্ৰত্যয়

*(iv)* অনিৰ্দিষ্টতাবাচক প্ৰত্যয়

(চ) "বেলি ডুবিলে চৰাই-চিৰিকটি বাহলৈ ঘূৰি আহে।"

*(i)* সৰল বাক্য

*(ii)* জটিল বাক্য

*(iii)* যৌগিক বাক্য

*(iv)* খণ্ড বাক্য

(ছ) অসমীয়া ভাষাত কাৰক

*(i)* পাঁচ প্ৰকাৰ

*(ii)* তিনি প্ৰকাৰ

*(iii)* ছয় প্ৰকাৰ

*(iv)* দুই প্ৰকাৰ

*Contd.*

(জ) ‘আকাশ’ৰ সমাৰ্থক শব্দ

(i) ভাস্কৰ, দিবাকৰ

(ii) গগন, ব্যোম

(iii) পংকজ, কমল

(iv) ধৰণী, ধৰা

(ঝ) আনাৰস, আলপিন, আলমাৰি আদি

(i) ফৰাচী শব্দ

(ii) পৰ্তুগীজ শব্দ

(iii) ওলন্দাজ শব্দ

(iv) আৰবী শব্দ

(ঞ) বাক্যৰ প্ৰধান উপাদান

(i) পদ

(ii) সুৰ-লহৰ

(iii) বিভক্তি

(iv) সৰ্গ

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখনৰ নাম আৰু প্ৰণেতাগৰাকীৰ নাম লিখা।

(খ) ড° উপেন্দ্ৰ নাথ গোস্বামীৰ দুখন ব্যাকৰণ পুথিৰ নাম লিখা।

(গ) তৎসম শব্দ কাক বোলে? উদাহৰণ লিখা।

(ঘ) অসমাপিকা ক্ৰিয়া কাক বোলে? উদাহৰণ লিখা।

(ঙ) অব্যয় পদ কাক বোলে? উদাহৰণ লিখা।

(চ) 'পৃথিবী' আৰু 'দিন'ৰ সমাৰ্থক শব্দ লিখা।

(ছ) অসমীয়া ভাষাৰ দুটা উপসৰ্গ উদাহৰণৰ সৈতে লিখা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) ব্যাকৰণৰ সংজ্ঞা লিখি ইয়াৰ প্ৰকাৰসমূহ উল্লেখ কৰা।

(খ) বিশেষ্য পদ কাক বোলে? ই কেইপ্ৰকাৰৰ আৰু কি কি?

(গ) গঠনৰ ভিত্তিত বাক্যক কেইটা ভাগত ভাগ কৰিব পাৰি আৰু কি কি? প্ৰতিবিধৰে উদাহৰণ দিয়া।

(ঘ) কৃৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ৰ সূত্ৰ লিখি উদাহৰণ দিয়া।

(ঙ) অসমীয়া ব্যাকৰণৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখা।

(চ) কাৰক কাক বোলে? অসমীয়া ভাষাত কাৰক কেই প্ৰকাৰৰ আৰু কি কি?

(ছ) সমবৰ্গীয় শব্দসাধনৰ প্ৰত্যয় আৰু বিসমবৰ্গীয় শব্দসাধনৰ প্ৰত্যয়ৰ সূত্ৰ লিখি উদাহৰণ দিয়া।

(জ) অসমীয়া খণ্ডবাক্য আৰু বাক্যাংশৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

(ঝ) সৰ্বনাম পদৰ সূত্ৰ লিখি ইয়াৰ প্ৰকাৰবোৰৰ নাম উল্লেখ কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(খ) বিশেষণ পদ কাক বোলে? ই প্ৰধানকৈ কেই প্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰে সূত্ৰসহ উদাহৰণ দাঙি ধৰা।

(গ) অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঘ) বাক্যৰ যোগ্যতা, আকাংক্ষা আৰু আসক্তি সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

---